بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০২০ চনৰ ২৯আগষ্টত মছজিদ মোবাৰক ইছলামাবাদ (বৃটেইনত ) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাযাহুদ, তাউছ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - আজিৰ জুমাৰ খোতবাত যিজন চাহাবাৰ জীৱনৰ স্মৰনীয় ঘটনা বৰ্ণনা কৰা হ'ব তেখেতৰ নাম আছিল হজৰত জাবিৰ বিন আউৱাম (ৰাঃ)। হজৰত জাবিৰ (ৰাঃ)ৰ পিতৃৰ নাম আছিল আউৱাম বিন খোয়েলিদ আৰু মাকৰ নাম আছিল চফিয়া বিনতে আব্দুল মুত্তালিব। তাই আঁহজৰত (ছাঃ)ৰ পেহীয়েক আছিল। এখেত আঁহজৰত (ছাঃ)ৰ পত্নী হজৰত খাদিজা (ৰাঃ)ৰ ভতিজা আছিল। হজৰত জাবিৰ (ৰাঃ)য়ে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ জীয়েক হজৰত আচমাক বিয়া কৰাইছিল। এই সুত্ৰে হজৰত জাবিৰ (ৰাঃ) নবী কৰিম (ছাঃ)ৰ শালপতি আছিল। হজৰত জাবিৰ বিন আউৱাম (ৰাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ৰ পিছতেই ইছলাম গ্ৰহন কৰিছিল। ইছলাম গ্ৰহন কৰোঁতা সকলৰ ভিতৰত প্ৰথমৰ পৰা চাৰি অথবা পাচঁ নম্বৰত আছিল হজৰত জাবিৰ বিন আউৱাম (ৰাঃ)। হজৰত জাবিৰ (ৰাঃ)য়ে ১২ বছৰ বয়সত আৰু আন বৰ্ণনা অনুযায়ী ৪ অথবা ১৬ বছৰ বয়সত ইছলাম গ্ৰহন কৰিছিল। হজৰত জাবিৰ (ৰাঃ) সেই দহজন সৌভাগ্যবান চাহাবৰ ভিতৰত এজন আছিল, যি সকলক হজৰত ৰছুলে কৰিম (ছাঃ)য়ে তেওঁলোকৰ জীৱন কালতেই জান্নাতৰ সুসংবাদ দিছিল। হজৰত জাবিৰ (ৰাঃ)সেই ছয় আচহাবে শ্বোৰাৰ ভিতৰত এজন আছিল, যি সকলক হজৰত উমৰ (ৰাঃ)য়ে নিজৰ মৃত্যুৰ প্ৰাকক্ষণত ভৱিষ্যতত খলিফা নিৰ্বাচিত কৰাৰ বাবে নিযুক্ত কৰিছিল।

যেতিয়া হজৰত জাবিৰ বিন আউৱাম (ৰাঃ)য়ে ইছলাম গ্ৰহন কৰিছিল তেতিয়া তেখেতৰ খুৰাকে তেখেতক এটা ধাৰাৰ ওপৰত শয়ন কৰাই ধুম্ৰ চাপ দিছিল যাতে তেখেতে ইছলাম এৰি কাফিৰলৈ ওভতি আহে। কিন্তু হজৰত জাবিৰ (ৰাঃ)য়ে কৈছিল যে "মই আৰু কাফিৰলৈ ওভতি নেযাওঁ।

হজৰত জাবিৰ (ৰাঃ)য়ে হাবশালৈ কৰা দুয়ো হিজৰততেই অংশ গ্ৰহন কৰিছিল। পিছত যেতিয়া তেখেতে হিজৰত কৰি মদিনালৈ আহিছিল তেতিয়া আহি হজৰত মনজৰ বিন মহম্মদ (ৰাঃ)ৰ ঘৰত অৱস্থান কৰিছিল। পিছত যেতিয়া তেখেতে হিজৰত কৰি মদিনালৈ আহিছিল তেতিয়া আহি হজৰত মনজৰ বিন মহম্মদ (ৰাঃ)ৰ ঘৰত অৱস্থান কৰিছিল। হজৰত জাবিৰ বিন আওৱাম (ৰাঃ)ৰ পত্নী হজৰত আচমা (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে যেতিয়া তাই মক্কাৰ পৰা হিজৰত কৰি মদিনালৈ গৈছিল তেতিয়া তাই গৰ্ভৱতী আছিল। তাই কৈছে যে " মই কোবাত অৱস্থান কৰা সময়ত আব্দুল্লাহ বিন জাবিৰৰ জন্ম হৈছিল। ইয়াৰ পিছত মই তাক লৈ নবী কৰিম (ছাঃ)ৰ ওচৰত গৈ উপস্থিত হৈছিলো আৰু তেখেত (ছাঃ)য়ে আব্দুল্লাক নিজৰ কোলাত তুলি লৈছিল আৰু কেচুৱাজনৰ মূখত নিজৰ মুখৰ লালবীজ ভৰাই দিছিল। এয়াই আছিল প্ৰথম বস্তু, যি কেচুৱাজনৰ পেটলৈ গৈছিল ইয়াৰ পিছত ৰছুলুল্লাহ (ছাঃ)যে নিজে খেজুৰ চোবাই গুৰি কৰি কেচুৱা জনৰ মূখত দিছিল আৰু তাৰ বাবে বৰকতৰ দোৱা কৰিছিল। এইজনেই আছিল প্ৰথম নৱজাতক, যিজনে ইছলামত জন্মগ্ৰহন কৰিছিল। হজৰত জাবিৰ (ৰাঃ)য়ে নিজৰ পুত্ৰ সকলৰ নাম শ্বহীদ সকলৰ নামৰ অনুকৰণত ৰাখিছিল যাতে আল্লাহ তায়ালা সিহঁতকও শ্বাহাদত লাভৰ সৌভাগ্য দান কৰিছিল।

হজৰত ছঈদ বিন মুছায়েবৰ পৰা বৰ্ণিত আছে যে হজৰত জাবিৰ বিন আওৱাম (ৰাঃ)য়েই আছিল প্ৰথমজন ব্যক্তি, যিজনে সৰ্বপ্ৰথম আল্লাহৰ বাটত নিজৰ তৰোৱাল খাপৰ পৰা উলিয়াইছিল। এবাৰ হজৰত জাবিৰ (ৰাঃ)য়ে হঠাতে ক'ৰবাৰ পৰা শুনিছিল যে মহম্মদ ৰছুলুল্লাহ (ছাঃ)ক হত্যা কৰি পেলোৱা হৈছে, তৎক্ষণাত তেখেত (ৰাঃ)য়ে নিজৰ তৰোৱাল হাতত লৈ ওলাই পৰিছিল। বাটতে ৰছুলুল্লাহ (ছাঃ)য়ে এখেতক দেখা পাই সুধিছিল যে জাবিৰ তুমি ক'লৈ গৈ আছা ? ৰবা,! কি হৈছে ? হজৰত জাবিৰ (ৰাঃ)য়ে উত্তৰ দিছিল যে মই এটা শব্দ শুনা পাইছিলো যে আপোনাক শ্বহীদ কৰি পেলোৱা হৈছে। তেতিয়া

আঁহজৰত (ছাঃ)য়ে জাবিৰ (ৰাঃ)ক সুধিছিল যে মোক শ্বহীদ কৰি পেলালে তুমি কি কৰিব পাৰিলাহেঁতেন ? হজৰত জাবিৰ (ৰাঃ)য়ে কৈছিল "আল্লাহৰ কছম ! মই সিদ্বান্ত লৈছিলো যে গোটেই মক্কাবাসীক হত্যা কৰি পেলাম। নবী কৰিম (ছাঃ)য়ে তেতিয়া হজৰত জাবিৰ (ৰাঃ)ৰ বাবে বিশেষ ভাৱে কৰিছিল। এটা ৰোৱায়েতত উল্লেখ আছে যে হজৰত ৰছুলে কৰিম (ছাঃ)য়ে হজৰত জাবিৰ (ৰাঃ)ৰ তৰোৱালৰ নিমিত্তে দোৱা কৰিছিল।

হজৰত জাবিৰ বিন আউৱাম (ৰাঃ)য়ে বদৰৰ যুদ্ব, অহুদৰ যুদ্ব আৰু আন আন যুদ্ববোৰত ৰছুলুল্লাহ (ছাঃ)ৰ লগত অংশগ্রহন কৰিছিল। অহুদৰ যুদ্বত মুছলমান সকলৰ বিপর্যয়ৰ সময়ত হজৰত জাবিৰ (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ৰ লগত দৃঢ় প্রতিষ্ঠিত ভাৱে ৰণত লিপ্ত আছিল। এখেত (ৰাঃ)য়ে মৰণত শৰণলৈ ৰণ ঝঞ্জাৰ চলাই গৈছিল। মক্কা বিজয়ৰ সময়ত মুহাজেৰিন সকলৰ তিনি পতাকাৰ এটা পতাকা হজৰত জাবিৰ (ৰাঃ)ৰ হাতত আছিল। বদৰৰ যুদ্বৰ দিনা নবী কৰিম (ছাঃ)ৰ লগত মাত্র দুটা ঘোঁৰা আছিল। তাৰে এটা ঘোঁৰাৰ পিঠিত হজৰত জাবিৰ বিন আউৱাম (ৰাঃ)য়ে ৰোহন কৰিছিল। বদৰৰ ৰণ ভূমিত হজৰত জাবিৰ (ৰাঃ)য়ে মূৰত জৰথ বৰণীয়া পাগুৰি বান্ধিছিল। আঁহজৰত (ছাঃ)য়ে সেয়া দেখি কৈছিল যে - ফিৰিস্তায়ও জাবিৰৰ দৰেই নামিছে। অর্থ্যাৎ যি সকল ফিৰিস্তাক আল্লাহ তায়ালায় সহায়ৰ নিমিত্তে পঠিয়াইছে, সিহঁতেও এনেদৰে পাগুৰি বান্ধিলৈ যুদ্ব কৰিছে।

হজৰত জাবিৰ (ৰাঃ)য়ে কৈছিল যে - বদৰৰ যুদ্বৰ দিনাখন উবায়দা বিন ছঈদৰ সৈতে মোৰ সাক্ষাৎ হৈছিল, মই দেখিছিলো তেওঁ যুদ্বাস্ত্র সম্পুর্ণ ৰূপে নিজৰ শৰীৰত পিন্ধি লৈছে, কেৱল তাৰ চকু যুৰিহে দৃষ্টি গোচৰ হৈছিল। তেওঁৰ কুনিয়াত (মাক, দেউতা, ল'ৰা,ছোৱালীৰ সম্পর্কত কোৱা নাম) আছিল আবুজাতুল কুৰাইছ। মোক দেখি তেওঁ কৈছিল যে "আবজাতুল কুৰাইছ হওঁ "। এই কথা শুনাৰ লগে লগে মই তেওঁৰ ওপৰত বর্শাৰে আক্রমণ চলাইছিলো আৰু তেওঁৰ চকুত আঘত হানিছিলো। সেই আঘাতত তেওঁ তাতেই নিহত হৈছিল। হজৰত জাবিৰ (ৰাঃ)য়ে কৈছে যে "মই মোৰ ভৰিৰে হেঁচি ধৰি তাৰ শৰীৰত হানি যোৱা বর্শা টানি উলিয়াই আনিছিলো তেতিয়া বর্শাৰ দুয়ো মূৰ বেকা হৈ গৈছিল। উকুৱা কৈছে যে ৰছুলুল্লাহ (ছাঃ)য়ে সেই বৰশা হজৰত জাবিৰ (ৰাঃ)ৰ পৰা বিচৰাত তেখেত (ৰাঃ)য়ে সেয়া ৰছুলুল্লাহ (ছাঃ)ক দি দিছিল। যেতিয়া ৰছুলুল্লাহ (ছাঃ)ৰ মৃত্যু হৈছিল তেতিয়া আকৌ হজৰত জাবিৰ (ৰাঃ)য়ে সেই বর্শা (যাঠি) নিজে লৈ লৈছিল। ইয়াৰ পিছত হজৰত আবু বক্কৰ (ৰাঃ)য়ে এখেত বর্শা আকৌ হজৰত জাবিৰ (ৰাঃ)ৰ পৰা বিচাৰিছিল তেতিয়া হজৰত জাবিৰ (ৰাঃ)য়ে বর্শাডাল হজৰত আবু বক্কৰ (ৰাঃ)ক দি দিছিল। যেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)ৰ মৃত্যু হৈছিল তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে এখেত (ৰাঃ)ৰ পৰা এই বর্শা বিচাৰিছিল আৰু এখেতে বর্শাডাল হজৰত উমৰ (ৰাঃ)ক দিছিল। যেতিয়া হজৰত উমৰ (ৰাঃ)ৰ মৃত্যু হৈছিল তেতিয়া হজৰত জাবিৰ (ৰাঃ)য়ে আকৌ বর্শাডাল নিজে লৈ লৈছিল। ইয়াৰ পিছত হজৰত উচমান (ৰাঃ)য়ে সেই বর্শাডাল খুজি লৈছিল। যেতিয়া হজৰত উচমান (ৰাঃ)ৰ মৃত্যু হৈছিল তেতিয়া সেই বর্শা হজৰত আলি (ৰাঃ)ৰ বংশধৰ সকলে লৈ লৈছিল। অৱশেষত হজৰত আব্দুল্লাহ বিন জাবিৰ (ৰাঃ)য়ে বর্শাডাল তেওঁলোকৰ পৰা ওভতাই আনিছিল আৰু এয়া তেওঁৰ ওচৰতেই আছিল যেতিয়ালৈকে হজৰত (আব্দুল্লাহ বিন জাবিৰ শ্বহীদ হোৱা নাছিল।

হজৰত জাবিৰ বিন আউৱাম (ৰাঃ)য়ে বর্ণনা কৰিছে যে অহুদৰ যুদ্বৰ দিনা নবী কৰিম (ছাঃ)য়ে মোৰ বাবে নিজৰ মাক দেউতাকক উৎছর্গা কৰিছিল অর্থ্যাৎ মোক এনেকৈ কৈছিল যে মোৰ পিতৃ-মাতৃ তোমাৰ ওপৰত কোৰবান হওঁক। হজৰত আব্দুল্লাহৰ পৰা বর্ণিত আছে যে প্রত্যেক নবীৰেই হাওৱাৰি থাকে, আৰু মোৰ হাওৱাৰি হ'ল জাবিৰ। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে খয়বৰৰ যুদ্বত ইহুদী সকলৰ বিখ্যাত চৰদাৰ মুৰহিব হজৰত মহম্মদ বিন মুছলামাৰ হাতত নিহত হৈছিল, তেতিয়া তেওঁৰ ভাই ইয়াছিৰ ৰণ ভূমিত আহি উপস্থিত হৈছিল। তেওঁ উচ্চস্বৰে ধ্বনি দিছিল যে কোন আছে, যিজনে মোৰ লগত লড়াই কৰিব ? তেতিয়া হজৰত জাবিৰ (ৰাঃ)য়ে আহি তাৰ সন্মূখত উপস্থিত হৈছিল। হজৰত চফিয়া (ৰাঃ) নবী কৰিম (ছাঃ)ক জনাই দিছিল যে ইয়া ৰছুলুল্লাহ (ছাঃ) মোৰ এনেকুৱা অনুমান হৈ আছে যে আজি মোৰ পুত্রই শ্বাহাদত লাভ কৰিব। আঁহজৰত (ছাঃ)য়ে তাইৰ উত্তৰত কৈছিল যে নহয় ! বৰং তোমাৰ পুত্রই তাক হত্যা কৰিব। অৱশেষত হজৰত জাবিৰ (ৰাঃ)ৰ হাতত ইয়াছিৰ নিহত হৈছিল।

হজৰত জাবিৰ বিন আউৱাম (ৰাঃ) সেই তিনিজন ব্যক্তিৰ ভিতৰত এজন আছিল, যি সকলক আঁহজৰত (ছাঃ)য়ে সেই মহিলাজনীক বিচাৰিবলৈ পঠিয়াইছিল, যিজনী মহিলায় কাফিৰ সকললৈ হজৰত হাতিব বিন আবি বুলতাহৰ পত্র বহন কৰি লৈ গৈ আছিল।

হজৰত খলিফাতুল মছিহ দ্বিতীয় (ৰাঃ)য়ে হজৰত জাবিৰ (ৰাঃ)ৰ জীৱণ বৃত্তান্ত বর্ণনা কৰোঁতা কৈছে যে মক্কা বিজয়ৰ সময়ত তেতয়া ৰছুলুল্লাহ (ছাঃ)য়েহুবুল নামক ভূতৰ (মুৰ্ত্তিৰ)ওপৰত নিজৰ লাঠি ডালেৰে কোব মাৰিছিল তেতিয়া সেই মুর্ত্তিটো বাগৰি পৰি ভাঙি গৈছিল। সেই সময়ত হজৰত জাবিৰ (ৰাঃ)য়ে আবু চুফয়ানৰ ফালে চাই মিচিকিয়াই কৈছিল যে - হে আবু চুফিয়ান ! মনত আছেনে, অহুদৰ দিনা যেতিয়া মুছলমান সকলে আহত অৱস্থাত যন্ত্রনাত চটফটাই আছিল আৰু এফালে গোট খাই আছিল, তেতিয়া তুমি নিজৰ অহংকাৰতে এয়া ঘোষনা কৰিছিলা যে হুবুলৰ জয়, হুবুলৰ মর্যদা উন্নত হওঁক। তোমালোকৰ

ধাৰণা আছিল যে এই হুবুলেই তোমালোকক অহুদৰ যুদ্ধত মুছলমান সকলৰ ওপৰত বিজয় দান কৰিছিল। আজি দেখা পাইছানে, সেই হুবুলৰ ভঙা টুকুৰা তোমাৰ সন্মুখত পৰি আছে। তেতিয়া আবু চুফিয়ানে হজৰত জাবিৰক কৈছিল যে - জাবিৰ তুমি সেইবোৰ কথা এতিয়া এৰি দিয়া। আজি আমি দেখিবলৈ পাই আছো যে যদি মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ খোদাৰ বাহিৰে অইন কোনো খোদা থাকিলেহেতেঁন তেন্তে আজি আমি যিবোৰ ঘটনা দেখি আছো, সেইবোৰ কেতিয়াও নহলহেতেঁন। গতিকে এইজনাই খোদা হয়, যি আঁহজৰত (ছাঃ)ৰ খোদা।

স্বাম (ছিৰিয়া) বিজয়ৰ পিছত হজৰত উমৰু বিন আচৰ নেতৃত্বত মিছৰৰ ওপৰত আক্ৰমণ চলোৱা হৈছিল। মুছলমান সকল গৈ পিচতাছ্ নগৰ ঘেৰাও কৰিছিল। হজৰত উমৰু বিন আচ য়ে দুৰ্গৰ নিৰ্মাণ প্ৰণালী আৰু সৈন্য সংখ্যা দেখি হজৰত উমৰ (ৰাঃ)লৈ সৈন্য সহায় বিচাৰি আবেদন জনাইছিল। তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে দহ হেজাৰ সৈন্য আৰু চাৰিজন সেনানায়ক প্ৰেৰণ কৰিছিল। উল্লেখ কৰিছিল যে এই চাৰিজন সেনা নায়কৰ প্ৰত্যেক জনেই এক হাজাৰ সৈন্যৰ সমান তুল্যৰ আছিল। এই সেনা নায়ক সকলৰ ভিতৰত এজন আছিল হজৰত জাবিৰ বিন আউৱাম (ৰাঃ)। হজৰত উমৰু বিন আচে ঘেৰাও কৰি ৰখাৰ সকলো ব্যৱস্থাপনা হজৰত জাবিৰ (ৰাঃ)ৰ দায়িত্বত অৰ্পন কৰিছিল। ধাৰাবাহিক ভাৱে সাত মাহলৈকে এই ঘেৰাও প্ৰক্ৰিয়া জাৰি ৰাখিছিল। এদিন হজৰত জাবিৰ (ৰাঃ)য়ে কৈছিল যে আজি মই মুছলমান সকলৰ বাবে আত্ম বলিদান কৰিলো, এই বুলি তৰোৱাল হাতত লৈছিল ছিৰি লগাই দুৰ্গৰ ওপৰলৈ উঠি গৈছিল। কেইজন মান বেলেগ চাহাবায়ও তেখেতৰ লগত দুৰ্গৰ ওপৰলৈ উঠি গৈছিল। দুৰ্গৰ দেৱালত উঠিয়েই সকলোৱে একেলগে তকবিৰৰ ধ্বনি দিছিল, তাৰ লগে লগে সকলো সৈন্যই ইমান জোৰেৰে তকবিৰ দিছিল যে দুৰ্গৰ ভুমি কঁপি উঠিছিল। ঈছাই সকলে ভাৱি লৈছিল যে মুছলমান সকলে দুৰ্গৰ ভিতৰত প্ৰৱেশ কৰিছে। তেওঁলোকে ভয়তে পলাই গৈছিল। হজৰত জাবিৰ (ৰাঃ)য়ে দুৰ্গৰ পৰা নামি আহি দুৱাৰ খুলি দিছিল আৰু লগে লগে সকলো সৈন্য দুৰ্গৰ ভিতৰত প্ৰৱেশ কৰিছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - হজৰত জাবিৰ বিন আউৱাম (ৰাঃ)ৰ বিষয়ে বৰ্ণনাবলৈ থকা বাকী অংশ ভৱিষ্যতলৈ বৰ্ণনা কৰা হব। ইনশা আল্লাহ তায়ালা।

হুজুৰ আনোৱাৰ (আইঃ)য়ে ইয়াৰ পিছত মকৰৰম মিৰাজ আহমদ চাহাব শ্বহীদ ইবনে মেহমুদ আহমদ চাহাব অফ ডোগ্ৰী গাৰ্ডেন জিলা পেশাওৱাৰৰ বিষয়ে চমু বিৱৰণী আগবঢ়ায়। আহমদীয়তৰ বিৰুদ্ধবাদী সকলে মকৰৰম মিৰাজ আহমদ চাহাবক চন ২০২০ ৰ ১২ আগষ্ট তাৰিখত গুলিয়াই শ্বহীদ কৰি দিছিল। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। লগতে উল্লেখ কৰে যে বৰ্তমানে পাকিস্থানত বিৰুদ্ধবাদী সকলৰ বিৰুধী কাৰু -কাৰ্য্য তুংগত উঠিছে। আল্লাহ তায়ালা তেওঁলোকৰ চয়তানীৰ কুফল তেওঁলোকৰ ওপৰতেই ওলটাই দিয়ক। বৰ্তমান পৰিস্থিতি সাপেক্ষে আমি বেছি বেছিকৈ দোৱা কৰা উচিত। ৰাববি কুল্লি শায়ইন খাদিমুকা ৰাববি ফাহফাজনি ওয়া ছুৰনি ওয়ান হামনি” - আল্লাহুমা ইন্না নাজআলুকা ফি নুহুৰিহিম ওয়া নাউজুবিকা মিন শুৰুৰিহিম”। এই দোৱা বেছি বেছিকৈ পঢ়ক। দৰূদ শ্বৰীফ বেছিকৈ পঢ়িব লাগিব। আল্লাহ তায়ালা প্ৰত্যেক আহমদীক চয়তানৰ পৰা উদ্ভৱ হব পৰা সকলো বিবাদৰ পৰা নিৰাপদ ৰাখক। যিমানেই আমাৰ বিৰুদ্ধে এই শত্ৰুতা বাঢ়ি যাব, আমি সিমানেই বেছি আল্লাহ তায়ালাৰ আগত নতশীৰ হোৱা উচিত।

ইয়াৰ পিছত হুজুৰ আনোৱাৰ আইঃ য়ে আজিজম আদিব আহমদ নাছেৰ চাহাব মুৰববী ছিলছিলা মকৰম হামিদ আহমদ শ্বেইখ চাহাবৰ সদগতি কামনা কৰি নমাজে জুমাৰ পিছত মৰহুমিন সকলৰ নমাজে জানাজা গায়েব পঢ়াৰ ঘোষনা কৰে। আল্লাহ তায়ালা মৰহুমিন সকলৰ মৰ্যদা উন্নীত কৰক। (আমিন)

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ـ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ ـ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ـ الرَّحْمٰنِ الرَّحِيْمِ ـ مٰلِكِ يَوْمِ الدِّيْنِ ـ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ ـ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ـ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ـ

**Assamese Khulasa Khutba Jumma Huzoor Anwar 21 AUG . 2020**

**(BOOK POST PARINTED MATTER)**

**To** ------------------------------------------------------------------------

------------------------------------------------------------------------

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844